



# এখন অদ্ভুত অভয়াৰণ্যৰ পমখেদি

□ চুমিন্দ্ৰ চৌধুৰী

**ভাৰত** আৰু তিব্বতৰ মাজৰ পাদদেশত অৱস্থিত দ্ৰুক য়ুল (ভূটান) পৰিৱেশ আৰু পাৰিপাৰ্শ্বিক সংৰক্ষণৰ বাবে সমগ্ৰ বিশ্বৰ বাবে এখন বহু চৰ্চিত তথা আদৰ্শপূৰ্ণ দেশ।

জেচিবি নামৰ ইংলেণ্ডৰ বহুজাতিক কোম্পানীটোত কৰ্মৰত হৈ থাকোঁতে মই বহুবাৰ ৰাজতান্ত্ৰিক ভূটান ৰাষ্ট্ৰৰ বিভিন্ন ভিতৰুৱা অঞ্চললৈ ভ্ৰমণ কৰা সুযোগ লাভ কৰিছিলো। সেই আপাহঁতে ভূটানৰ দিহিঙে-দিপাঙে ঘূৰি ঘূৰি এবাৰ দেশখনৰ এখন অদ্ভুত ৰাষ্ট্ৰীয় অভয়াৰণ্য চাকটেঙত উপস্থিত হৈছিলো। পাছে ভূটানৰ নাগৰিকক বাদে অন্য বিদেশী নাগৰিকৰ বাবে নিষিদ্ধ সংৰক্ষিত অভয়াৰণ্যখনৰ ভিতৰত প্ৰৱেশহে কৰিব নোৱাৰিলোঁ। কিন্তু এই ৰহস্যময় অভয়াৰণ্যখনৰ বিশেষত্বৰ বিষয়ে কিছু কথা জানিব পাৰি ৰোমাঞ্চিত হৈ পৰিছিলো। সমগ্ৰ বিশ্বৰ বাবে অবুজ সাঁথৰ হৈ ৰোৱা ৰহস্যময় এই অভয়াৰণ্যখনৰ কিছু তথ্য আজি আপোনালোকক অৱগত কৰাব বিচাৰিম।

বৰফেৰে আবৃত সুউচ্চ পাহাৰ-পৰ্বত, সেউজীয়া গভীৰ বনাঞ্চল, সৰু-বৰ বহুতো খৰস্ৰোত নদী আৰু বিভিন্ন বন্য পশু-পক্ষীৰে ভূটান এখন বনজ সম্পদৰে সমৃদ্ধ দেশ। নৈসৰ্গিক প্ৰাকৃতিক দৃশ্যাৱলীৰ বাবে পাশ্চাত্যৰ দেশসমূহৰ বাবে ভূটান আকৌ ছাংগ্ৰি-লা বুলিহে প্ৰসিদ্ধ। ভূটানেই হৈছে পৃথিবীৰ একমাত্ৰ কাৰ্বন ঋণাত্মক দেশ, যিয়ে বছৰি ৬০ লাখ টনতকৈ অধিক কাৰ্বন শোষণ কৰে। পৰিৱেশ সংৰক্ষণক ভূটান ৰাষ্ট্ৰই নিজৰ ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যসূচীত মুখ্য স্থান দিয়ে। ২ জুনক ভূটানত সামাজিক বন দিৱস হিচাপে পালন কৰা হয়। ১৯৭৪ চনৰ এই দিনটোতে ভূটানৰ চতুৰ্থ সম্ৰাট মহামহিম জিগমে চিংগে ৱাংচুকৰ ৰাজাভিষেক হৈছিল। স্মৰ্তব্য যে ১৯০৫ চনৰ ২ জুনতেই দ্ৰুক য়ুল মানে ড্ৰেগনৰ দেশৰ প্ৰথমজন ৰজা (গ্যালপো) উগ্যেন ওৱাংচুকৰ পুত্ৰ তথা দেশখনৰ প্ৰথমজন ৰাজকুমাৰ গ্যালচে জিগমে নামগিয়েল ৱাংচুকৰো জন্ম হৈছিল। ভূটানবাসীক বৃক্ষৰোপণৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে ১৯৮৫ চনৰ পৰা ভূটান ৰাজতন্ত্ৰই ৰাজকুমাৰ দিৱসৰ লগত সংগতি ৰাখি ২ জুনকে সামাজিক বন দিৱস হিচাপে ঘোষণা কৰিছিল।

ভূটানৰ প্ৰথমজন ৰাজকুমাৰ গ্যালচে জিগমে নামগিয়েল ৱাংচুকৰ জন্মৰ স্মৃতিত ২০১৫ চনৰ ২ জুনৰ দিনাখন ১০৮ হাজাৰ গছপুলি ৰোপণ কৰা হৈছিল। সেইদিনাখন এঘণ্টাৰ ভিতৰতে ৪৯,৬৭২ডাল গছপুলি ৰোপণ কৰি ভূটানবাসীয়ে গীনিজ বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল।

ভূটানৰ সংবিধান মতে দেশৰ মুঠ মাটিকালিৰ ৬০ শতাংশ ভূমি বনাঞ্চলৰ বাবে আবণ্টন কৰা হৈছে। ইয়াৰ প্ৰায় ৫১ শতাংশ অঞ্চল ৰাষ্ট্ৰীয় উদ্যান, প্ৰকৃতি সংৰক্ষিত অঞ্চল আৰু অন্যান্য সংৰক্ষিত অঞ্চল হিচাপে নিৰ্ধাৰণ কৰা হৈছে।

জনসাধাৰণৰ অৰ্থনৈতিক, আৱেগিক আৰু আধ্যাত্মিক মংগলৰ বাবে পৰিৱেশৰ বহনক্ষমতা অতি প্ৰয়োজনীয়। বৰ্তমান ইয়াত পাঁচখন ৰাষ্ট্ৰীয় উদ্যান, চাৰিখন বন্যপ্ৰাণী অভয়াৰণ্য আৰু এটা প্ৰকৃতি সংৰক্ষিত বনাঞ্চল আছে, যিয়ে দেশৰ ৫১.৩২ শতাংশ অঞ্চল সামৰি লৈছে। ভূটানত বন্যপ্ৰাণী আৰু ইয়াৰ প্ৰাকৃতিক বাসস্থান ৰক্ষা কৰাৰ লগতে প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ বাবে ৰাষ্ট্ৰীয় উদ্যানসমূহ সংৰক্ষিত কৰা হৈছে। ভূটানৰ লেখত ল'বলগীয়া ৰাষ্ট্ৰীয় উদ্যান আৰু সংৰক্ষিত অভয়াৰণ্যকেইখন হৈছে একাদিক্ৰমে আহা ছেণ্টিনাৰী ৰাষ্ট্ৰীয় উদ্যান, জিগমে দৰ্জী ৰাষ্ট্ৰীয় উদ্যান, জিগমে চিংগিয়ে ৰাষ্ট্ৰীয় উদ্যান, ৰয়েল মানস ৰাষ্ট্ৰীয় উদ্যান, ফ্ৰুমচেঙলা ৰাষ্ট্ৰীয় উদ্যান, জিগমে খেছাৰ প্ৰকৃতি সংৰক্ষিত বনাঞ্চল ফিবছু বন্যপ্ৰাণী অভয়াৰণ্য, জোমাছাংখা বন্যপ্ৰাণী অভয়াৰণ্য আৰু আজিৰ চৰ্চাৰ বিষয় বস্তু ট্ৰাছিগাঙ জিলাৰ ৰহস্যময় ছাকটেং বন্যপ্ৰাণী সংৰক্ষিত অভয়াৰণ্য।

সেয়া আছিল ২০১৩ চনৰ এপ্ৰিলৰ কোনোবা এটা দিন। কৰ্মসূত্ৰে সেইদিনাখন মই আছিলো ভূটানৰ ট্ৰাছিগাঙ চহৰৰ উপকণ্ঠত তথা সীমা পথ সংস্থা (Boarder Road Organization) চমুকৈ BROৰ এটা পৰিদৰ্শন বঙলাত। বিগত চাৰিদিন ধৰি হোৱা মুষলধাৰ বৰষুণৰ বাবে থিম্ফুৰ পৰা ট্ৰাছিগাং আৰু ছানদ্ৰুপ জংখাৰ সংযোগী পথৰ বিস্তৰ ক্ষতি হোৱাৰ বাবে পৰিদৰ্শন বঙলাটোতে আবদ্ধ হৈ আছিলো। গুৱাহাটীৰ পৰা মাত্ৰ ছয় ঘণ্টা বাটৰ দুৰত্বত মায়াবী দেশ ভূটানৰ ভিতৰুৱা চহৰখনত আবদ্ধ হৈ থকা সময়খিনিত ওচৰ-পাজৰৰ ঠাইসমূহ ঘূৰি-ফুৰি বিভিন্ন দেশী-বিদেশী ফুল, অৰ্কিড, পখিলা , চৰাই চিৰিকটিৰ, জীৱ-জন্তু দেখি বলৈ পোৱাৰ লগতে জলপ্ৰপাত আৰু পাহাৰীয়া নৈখনৰ জান-জুৰিৰ নৈসৰ্গিক দৃশ্যাৱলী চাই ধন্য মানিছিলো। আনদিনাৰ দৰে সেইদিনাখনো পৰিদৰ্শন বঙলাত পুৱাই লঘু আহাৰ গ্ৰহণ কৰি ট্ৰাছিগাঙৰ ওচৰতে থকা সৰু বজাৰখনলৈ ওলাই গৈছিলোঁ। বজাৰখনৰ এচুকত কিছুসংখ্যক ভূটীয়া নাগৰিকে জংখা আৰু ভঙা ভঙা হিন্দী ভাষাত পাতি থকা কথাখিনিৰ পৰা বুজিব পাৰিছিলো যে তেওঁলোকে হিমালয়ৰ গভীৰ অৰণ্যত বিচৰণ কৰা কিংবদন্তিত য়েটি অৰ্থাৎ হিম মানৱৰ বিষয়েও আলোচনা কৰি আছে । ৰহস্যজনক য়েটিৰ বিষয়ে জানিবলৈ ঔৎসুক হৈ মই তেওঁলোকে পাতি থকা কথা-বতৰাবোৰ কাণপাতি মনোযোগ দি শুনিবলৈ চেষ্টা কৰিছিলো। কিছু সময় তেওঁলোকৰ কথাবোৰ মন দি শুনাৰ পাছত বুজি পাইছিলো যে তেওঁলোকৰ এজনে পুৱাই ছাকটেং বন্যপ্ৰাণী অভয়াৰণ্যৰ সুগভীৰ জংঘলৰ মাজত এটা মিগোই (জংখা ভাষাত হিম মানৱ)ৰ মুখামুখি হৈছে। হিম মানৱটোৰ সংগীজনীয়ে চোঁচা মাৰিছিল যদিও তেওঁ কোনোমতে নিজৰ প্ৰাণ বচাই পলাই সাৰিছিল। দৰাচলতে সংগী হিম মানৱীজনীয়ে তাইৰ প্ৰকাণ্ড স্তন দুটাৰ ভৰত দৌৰিব নোৱাৰাৰ বাবেই তেওঁক ধৰিব নোৱাৰিলে বুলি কৈ ঘেকঘেকাই হাঁহিছিল। ভুটীয়া লোকজনৰ লগত সংঘটিত ঘটনাৰ কথা নিমিষতে বনজুইৰ দৰে সমগ্ৰ ট্ৰাছিগাঙতে বনজুইৰ দৰে বিয়পি পৰিছিল। লাহে লাহে বজাৰৰ একোণত কিছুসংখ্যক ভুটীয়া ডেকা-বুঢ়া লোক মিগোইৰ সন্ধানত ছাকটেং অভয়াৰণ্যখনৰ ভিতৰলৈ যাবলৈ মাৰ বান্ধি সাজু হৈ পৰিছিল। সেই আপাহতে অলপতে মোৰ লগত চিনাকি হৈ পৰা জামপে নিদুপ্ নামৰ বন্ধুজনক জনাইছিলো যে ময়ো তেওঁলোকৰ সেই দুঃসাহসিক অভিযান কৰিব বিচাৰো। কিন্তু মোৰ মনৰ অভিলাষ পূৰণৰ আশাত চেঁচা পানী ঢালি জামপেই কৈছিল যে ছাকটেং বন্যপ্ৰাণী সংৰক্ষিত অভয়াৰণ্যখনত একমাত্ৰ ভূটানৰ নাগৰিকৰহে প্ৰবেশ কৰাৰ অধিকাৰ আছে। বিদেশী নাগৰিকৰ বাবে এই অভয়াৰণ্যখনৰ ভিতৰত প্ৰবেশ নিষিদ্ধ কৰা আছে, কাৰণ এই অভয়াৰণ্যখন একমাত্ৰ কিম্বদন্তীত য়েটিৰ মুকলি বিচৰণৰ বাবে সংৰক্ষিত কৰি ৰখা হৈছে। সমগ্ৰ বিশ্বৰ বাবে বৈজ্ঞানিক প্ৰমাণ নথকা য়েটি এটা কাল্পনিক প্ৰাণী যদিও সমগ্ৰ ভূটানবাসী আৰু ৰাজতন্ত্ৰই লোকবিশ্বাস অনুসৰি মিগোইৰ অসাধাৰণ আৰু যাদুকৰী শক্তিক সমীহ কৰি চলে। সেইবাবেই ভূটান চৰকাৰে ট্ৰাছিগাং জিলাৰ পূবৰ অধিকাংশ অংশত অৱস্থিত ছাকটেং বন্যপ্ৰাণী অভয়াৰণ্য প্ৰতিষ্ঠান কৰি য়েটিৰ সংৰক্ষণৰ ব্যৱস্থা কৰি দিছে। এই অভয়াৰণ্যখনৰ মুঠ মাটিকালি ৭৪০.৬০ বৰ্গ কিলোমিটাৰ সামৰি লোৱা হৈছে, যিয়ে ট্ৰাছিগাঙৰ অন্তৰ্গত মেৰাক আৰু ছাকটেঙৰ প্ৰায় তিনি চতুৰ্থাংশ আৰু ছামদ্ৰুপ জংখাৰৰ অধীনত লৌৰীৰ এটা অংশ সামৰি লৈছে। এইখন হৈছে ভূটানৰ অন্যতম সংৰক্ষিত অঞ্চল, মাটিকালি হিচাপত ছাকটেং বন্যপ্ৰাণী অভয়াৰণ্যখন দক্ষিণ-পূব এছিয়াৰ উন্নত আৰু আধুনিক দেশ ছিংগাপুৰতকৈ বিশাল।

ভূটানৰ লোকবিশ্বাস মতে প্ৰায় আঠ ফুট ওখ, বিশাল ভৰিৰ আধা বান্দৰ, আধা মানৱ আৰু ওলোটা ভৰিৰে পিছলৈ খোজকঢ়া পৃথিৱীৰ ৰহস্যময় জীৱ য়েটিক বাদে বিলুপ্তপ্ৰায় প্ৰজাতি যেনে তুষাৰ নাহৰফুটুকী, গোৱাল, হিমালয়ান ক'লা ভালুক, কেপড লেংগুৰ, হিমালয়ান কস্তুৰী হৰিণ, ৰঙা পাণ্ড্ৰ আদিৰ বাবেও এই অভয়াৰণ্যখন বিখ্যাত। ২০ প্ৰজাতিৰ স্তন্যপায়ী প্ৰজাতি আৰু ১৪৭ প্ৰজাতিৰ চৰাই যেনে হিমালয়ান ব্লাড ফেজেণ্ট, ধূসৰ বেকড শ্ৰাইক আদিৰ বাবেও এই অভয়াৰণ্যখন প্ৰসিদ্ধ। ৰাতি আহি আপোনাক সকলো খবৰ জনাম বুলি কৈ মোৰ মনৰ উদ্বিগ্নতাক দুগুণ বঢ়াই জামপে ভুটীয়া নাগৰিকৰ দলটোৰ লগত ছাকটেঙৰ সুগভীৰ জংঘললৈ গুচি গৈছিল। দিনটো সম্পূৰ্ণ উদ্বিগ্নতা আৰু ঔৎসুকতাৰে অপেক্ষাৰত হৈ থকাৰ অন্তত নিশা প্ৰায় ৯ বজাত জামপে বি আৰ অ'ৰ পৰিদৰ্শন বঙলাটোৰ মই থকা কোঠাটোলৈ সোমাই আহিছিল। তাৰ শৰীৰটোৰ কেইবা ঠাইত হাবিৰ অঘয়াই আঁচোৰা আৰু চোৰাত পাতে ডঁকি উখহাই পেলোৱা ঘাঁহবোৰৰ পৰা সিহঁতৰ দুঃসাহসিক অভিযানটো কিমান ভয়াবহ আছিল ঠাৱৰ কৰিব পাৰিছিলো। জামপে নিড়ুপে কোৱা অনুসৰি সিহঁত মিগোইৰ সন্ধানত জংঘলৰ বহু ভিতৰলৈ সোমাই গৈছিল যদিও একো শুংসূত্ৰ বিচাৰি পোৱা নাছিল। মাত্ৰ দুই এঠাইত গছৰ গাত নখেৰে আঁচুৰি বাকুহি পেলাই যোৱা স্পষ্ট চিনহে প্ৰত্যক্ষ কৰিছিল। মই যেতিয়াই কৈছিলো সেইবোৰ অন্য বনৰীয়া প্ৰাণী যেনে ভালুকৰো হ'ব পাৰে তেতিয়া জামপে নিড়ুপে উত্তৰত কৈছিল— গছত মৰা সেই আঁচোৰবোৰ আঠ ফুটতকৈও উচ্চতাত কোনোবাই মাটিত থিয় হৈ মৰাৰ প্ৰমাণ পোৱা গৈছিল। অন্যথাই বেলেগ জীৱ-জন্তুৱে গছত বগাই গ'লে তাৰ সম্পূৰ্ণ প্ৰমাণ থাকি গ'লহেঁতেন। কিন্তু গছবোৰত তেনে ধৰণৰ কোনো প্ৰমাণ পোৱা নাছিল।

সেই নিশা জামপে নিড়ুপৰ মুখৰ পৰা কিছুমান ভূটানবাসীৰ য়েটিৰ বিষয়ে থকা লোকবিশ্বাস আৰু পৰম্পৰাৰ বিষয়ে শুনি ৰোমাঞ্চিত হৈ পৰিছিলো।

গছ-গছনিৰ লগতে পশু পক্ষীকো প্ৰাচীন ভূটানৰ শিল্প আৰু আধ্যাত্মিকতাত পুনৰাবৃত্তিমূলক প্ৰতীকী উপাদান বুলি বিশ্বাস কৰা হয়। জীৱ-জন্তুৰ প্ৰতীকবাদত সামাজিক আৰু ধৰ্মীয় দুয়োটা প্ৰেক্ষাপটতে বহুতো অৰ্থ আছে। ভূটানৰ সংস্কৃতিৰ চহকী আৰু বৈচিত্ৰ্যময় প্ৰাণীৰ ৰূপক ঘৰচীয়া, বনৰীয়া আৰু পৌৰাণিক তিনিটা ভাগত বিভক্ত কৰা হৈছে। তাৰ ভিতৰত য়েটিও হৈছে এটা পৌৰাণিক প্ৰাণী।

য়েটি বা স্থানীয় ভাষাত মিগোই হৈছে যুগ যুগ ধৰি হিমালয়ৰ কাষৰীয়া দেশবোৰৰ লোককথাত উল্লেখ থকা এটা অসাধাৰণ যাদুকৰী শক্তিৰ অধিকাৰী বিশাল চেহেৰাৰ প্ৰাণী। হঠাতে অদৃশ্য হৈ পৰাৰ ক্ষমতা আৰু পিছলৈ খোজকাঢ়ি যাব পৰা মিগোই সন্ধানকাৰীসকলৰ চকুত ধূলি দি আঁতৰি যায়। এই পৌৰাণিক জীৱটোৰ উপস্থিতি নিশ্চিত কৰা কোনো বৈজ্ঞানিক প্ৰমাণ নাই যদিও স্থানীয় ভূটানৰ সংস্কৃতিত য়েটিৰ বিষয়ে লোককথা আৰু বহু ৰহস্যজনক কিংবদন্তি এতিয়াও আছে আৰু বহুতে জোৰ দি কয় যে ছাকটেং বনাঞ্চলৰ মাজত বহুবাৰ মিগোই প্ৰত্যক্ষ কৰা হৈছে। সেই বাবে এই মায়াবী প্ৰজাতিৰ প্ৰাণীবিধৰ সংৰক্ষণৰ বাবে পূব ভূটানৰ ছাকটেং বন্যপ্ৰাণী অভয়াৰণ্য সৃষ্টি কৰা হৈছিল। সচৰাচৰ নীলা পাইন আৰু ৰ'ড'ডেণ্ড্ৰনৰ মাজত য়েটিয়ে বাস কৰে বুলি বিশ্বাস কৰা হয়।

'ভূটানিজ টেলছ অৱ য়েটি' নামৰ গ্ৰন্থখনৰ প্ৰসিদ্ধ লেখক কুনজাং চোডেনৰ মতে য়েটি হৈছে দুটা য়াক'ৰ সমান ডাঙৰ ৰঙা বাদামীৰ অথবা ধূসৰ ক'লা চুলিৰে আবৃত আৰু অংগ-প্ৰত্যংগ বান্দৰৰ দৰে কিন্তু লোমহীন মুখৰ এবিধ প্ৰাণী।

সাধাৰণতে অকলে অথবা দম্পতী হিচাপে এই প্ৰাণীবিধ কেতিয়াবা কাচিৎ চকুত পৰে যদিও গোটত খুব কমেইহে দেখা পোৱা যায়। য়েটিবোৰে সুঁহুৰি মাৰি ইজনে সিজনৰ লগত যোগাযোগ স্থাপন কৰে আৰু কুৎসিত চেহেৰাৰ এই প্ৰাণীবোৰৰ শৰীৰৰ পৰা দুৰ্গন্ধৰ ওলাই থাকে।

মাজে মাজে মিগোই ভয়ংকৰ হাঁহি মাৰি অদ্ভুত শব্দ কৰে বুলিও কোৱা হয়। সাধাৰণতে মুখামুখি হোৱাটো অশুভ লক্ষণ বুলি কোৱা হয়। কিছুমান ক্ষেত্ৰইত দুৰ্ভাগ্য আৰু আনকি মৃত্যুৰো সূচনা কৰে বুলি বিশ্বাস কৰা হয় ভূটানত আকৌ য়েটিৰ উপৰি আৰু ইয়াৰ সৰু খুলশালীয়েক মিচুমৰ কথা বেছি বিশ্বাস কৰা হয়। ইয়াৰ প্ৰতিকৃতি ভূটানৰ ডাকটিকটতো ব্যৱহাৰ কৰা হয়। মিচুমবোৰ মিগোইৰ বিপৰীতে চাপৰ চুপৰ প্ৰাণী। এই প্ৰাণীবিধৰো চেহেৰা আংশিকভাৱে জন্তু আৰু আংশিকভাৱে মানুহৰ, বান্দৰৰ সৈতে ওতপ্ৰোতভাৱে মিল থকা। সাধাৰণতে খঁকুৱা স্বভাৱৰ মিচুমবোৰে সমুদ্ৰপৃষ্ঠৰ পৰা ২৫০০ মিটাৰৰ ওপৰত ঘন অৰণ্যত বাস কৰে। ভুটানৰ ফবজিখা উপত্যকাৰ এটা মনেষ্ট্ৰীত এনে এটা মৃতদেহ কেইবা শতিকা ধৰি সংৰক্ষণ কৰি ৰখা হৈছে। মৃতদেহটো প্ৰায় এক মিটাৰ দীঘল,ফুটা, ফুটা হৈ পৰা, মানুহৰ দৰে মুখ, আঙুলি, ভৰিৰ আঙুলি, গৰুৰ ছালৰ দৰে ৰুক্ষ ছালৰ। মৃতদেহটোৰ কাষতে এই ৰহস্যময় জীৱটোৰ বিষয়ে বিশদ লেখাও আছে। মৃতদেহটো শাওপাত লগা আৰু অশুভ। এবাৰ দক্ষিণ টাইৰ'লৰ পৰ্বতাৰোহী ৰেইনহ'ল্ড মেছনাৰে মৃতদেহটোৰ গোপনে ফটো তুলি বিপদত পৰিছিল। সেইদিনা সন্ধিয়া তেওঁ ইমানেই অসুস্থ হৈ পৰিছিল যে কোনোমতে হেলিকপ্টাৰেৰে তেওঁক কলকাতালৈ কঢ়িয়াই আনিবলগীয়া হৈছিল ভূটানবাসীৰ মতে সেয়া মিচুমৰ কোনোধৰণৰ অভিশাপ আছিল।

বৰ্তমান সময়ৰ ভূটানৰ ৰজাই মিচুমৰ মৃতদেহ থকা মনেষ্ট্ৰীটো আৰু ছাকটেং অভয়াৰণ্যৰ ভিতৰত বিদেশী নাগৰিকৰ প্ৰৱেশ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে।

সেই নিশা জামপে নিড়ুপৰ মুখৰ পৰা বিস্তৃতভাৱে শুনা কথাখিনিৰ পৰা এটা কথা বোধগম্য হৈছিল যে ভূটানৰ ৰজা-প্ৰজা সকলোৱেই ঘৰচীয়া, বনৰীয়া আৰু পৌৰাণিক প্ৰকৃতি, পৰিৱেশ, গছ-গছনি আৰু পশুপক্ষীৰ সংৰক্ষণৰ বাবে সচেতন আৰু সংকল্পবদ্ধ। যি সময়ত আমি আমাৰ গৌৰৱৰ এশিঙীয়া গঁড়, বাঘ, হাতী আদি মাৰি খাস্তাং কৰিব ধৰিছোঁ তাৰ বিপৰীতে ভূটানৰ দৰে এখন সৰু আৰু আৰ্থিকভাৱে পিছপৰা দেশৰ পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰতি থকা দায়বদ্ধতা অতি প্ৰশংসনীয়। ই দৰাচলতে দেশখনৰ ৰজা আৰু প্ৰজাৰ তেওঁলোকৰ পুৰণি দৰ্শন আৰু চিন্তাধাৰাৰ প্ৰতি থকা গভীৰ আস্থাক প্ৰতিফলিত কৰিছে। গতিকে আহকচোন আমিও নিজৰ সামৰ্থ্য আৰু সাধ্য অনুযায়ী প্ৰকৃতিৰ ৰক্ষা আৰু সুৰক্ষাৰ বাবে যৎপৰোনাস্তি সহায় আগবঢ়াওঁ।

নয়দা, উত্তৰ প্ৰদেশ

> ...মাজে মাজে মিগোই ভয়ংকৰ হাঁহি মাৰি অদ্ভুত শব্দ কৰে বুলিও কোৱা হয়। সাধাৰণতে মুখামুখি হোৱাটো অশুভ লক্ষণ বুলি কোৱা হয়। কিছুমান ক্ষেত্ৰইত দুৰ্ভাগ্য আৰু আনকি মৃত্যুৰো সূচনা কৰে বুলি বিশ্বাস কৰা হয়...

---

প্ৰকৃতিৰ আশ্চৰ্য



# হুনজা উপজাতি

**মানৱ** জীৱনৰ বাৰ্ধক্য কালটোক লৈ হয়তো প্ৰতিজন ব্যক্তিয়েই শংকিত হয়। এই কাল যেন সোনকালে জীৱনলৈ নাহে, তাৰ বাবে বহুলোকে যৎপৰোনাস্তি চেষ্টা কৰে। নিজৰ যৌৱন কাল বহুদিনলৈ ধৰি ৰাখিবলৈ বহু লোকে আকৌ কোটি কোটি টকা ব্যয় কৰে। কিন্তু তাৰ বিপৰীতে পাকিস্তানৰ এক বিশেষ উপজাতিয়ে প্ৰাকৃতিকভাৱেই নিজৰ যৌৱন আৰু সৌন্দৰ্য ধৰি ৰাখিব পাৰে। আচৰিতভাৱে বয়সতকৈ এই উপজাতিৰ লোকসকলক যথেষ্ট সৰু দেখা যায়। ১০০ বছৰ বয়স অতিক্ৰম কৰাটো এই উপজাতিৰ অধিকাংশ লোকৰ বাবে যেন অতি সাধাৰণ কথা।

এই উপজাতিটোৰ প্ৰকৃত নাম হৈছে বুৰুচু। পাকিস্তান অধিকৃত কাশ্মীৰৰ গিলবিট- বালতিস্তান প্ৰদেশ হৈছে তেওঁলোকৰ বাসস্থান। কাৰাকোৰাম, পশ্চিম হিমালয়, পামিৰ আৰু হিন্দুকোশ পৰ্বতৰে আবৃত এই অঞ্চলৰ উত্তৰে আছে অতি সুন্দৰ হুনজা উপত্যকা। নৈসৰ্গিক সৌন্দৰ্যৰ বাবে বিখ্যাত এই উপত্যকালৈ

দৈনন্দিন খাদ্য তালিকাত প্ৰচুৰ পৰিমাণে শাক-পাচলি, ফলমূল, গাখীৰ, শুকান ফল,কণী, মাখন আদি অন্তৰ্ভুক্ত। সাধাৰণতে তেওঁলোকে মাংস নাখায়। খালেও বছৰত এবাৰ বা দুবাৰ ভেড়াৰ মাংস খায়। তদুপৰি তেওঁলোকে প্ৰচুৰ এণ্টি অক্সিজেনেৰে পূৰ্ণ তুমুৰু নামৰ গছৰ পাত চাহৰ দৰে খায়। জানিবলৈ পোৱা অনুসৰি হুনজাসকলে বছৰৰ চাৰি মাহ কেৱল এপ্ৰিকড ফল আৰু সেই ফলৰ চৰবত খাই থাকে। অন্য কোনো খাদ্য তেওঁলোকে গ্ৰহণ নকৰে। প্ৰত্যেক দিনেই তেওঁলোকে যোগাভ্যাস কৰে আৰু তাৰ জৰিয়তে শ্বাস-প্ৰশ্বাসৰ প্ৰক্ৰিয়া উন্নত কৰাৰ লগতে শাৰীৰিক শক্তি সন্তুলন কৰি ৰাখে।

বহু গৱেষকে মন কৰিছে যে হুনজাসকলৰ দীৰ্ঘায়ু আৰু দীৰ্ঘ জীৱনলৈ কাৰ্যক্ষম হৈ থকাৰ অন্তৰালত এপ্ৰিকড নামৰ ফলবিধৰ অন্যতম ভূমিকা আছে। ইয়াৰ ফলত প্ৰচুৰ পৰিমাণে এমিগডালিন (ভিটামিন বি-১৭) থাকে, যি কৰ্কট ৰোগৰ লগতে অন্যান্য দুৰাৰোগ্য ৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে। হুনজাসকলে বছৰৰ চাৰি মাহ কেৱল এই ফল আৰু ফলৰ ৰস খাই বাবেই তেওঁলোকৰ শৰীৰত এনে ৰোগে থিতাপি ল'ব